Total number of printed pages = 4

**63 (FY) SEM–3/MAJ/ASMMAJ2024**

**2024**

**ASSAMESE**

Paper : ASMMAJ2024

***(General Linguistics)***

*Full Marks : 70*

*Pass Marks : 28*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ দিয়া প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰ লিখা ঃ ১×৬=৬

(ক) "ভাষাই মনৰ অভিজ্ঞতাক প্ৰতিনিধিত্ব কৰে।" কথাষাৰৰ বক্তা হ'ল–

*(i)* ব্লুমফিল্ড

*(ii)* এৰিষ্টট'ল

*(iii)* ৰবিন্স

*(iv)* পতঞ্জলি

*Contd.*

(খ) তলৰ কোনটো অংগ বাগিন্দ্ৰিয় নহয়?

*(i)* জিভা

*(ii)* নাসিকা

*(iii)* শ্বাস

*(iv)* ঘটিকা

(গ) অসমীয়া ভাষাত স্পৰ্শ মহাপ্ৰাণ ধ্বনি কেইটা?

*(i)* ৮টা

*(ii)* ৬টা

*(iii)* চাৰিটা

*(iv)* এটা

(ঘ) 'সাঁচতীয়া' শব্দটোত কি প্ৰত্যয় যোগ হৈছে?

*(i)* কৃৎ প্ৰত্যয়

*(ii)* তদ্ধিত প্ৰত্যয়

*(iii)* নিৰ্দেশাত্মক প্ৰত্যয়

*(iv)* স্বাৰ্থিক প্ৰত্যয়

(ঙ) 'Arm chair' শব্দটো অসমীয়াত 'আৰামী চকী' বুলি কোৱা হয়। এই শব্দটোৰ অৰ্থ পৰিবৰ্তনৰ কাৰণ হ'ল–

*(i)* সামাজিক সংস্কাৰ

*(ii)* আলংকাৰিক প্ৰয়োগ

*(iii)* ভাবাবেগ

*(iv)* লোক ব্যুৎপত্তি



(চ) 'ভাষা যাদৃচ্ছিক।' যাদৃচ্ছিক শব্দটোৰ অৰ্থ হ'ল–

*(i)* যি শুনা

*(ii)* যি ইচ্ছা

*(iii)* যি দেখা

*(iv)* যি ভাবা

২। তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া *(যিকোনো পাঁচটা)* ঃ ২×৫=১০

(ক) প্ৰত্যয় আৰু বিভক্তিৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

(খ) ভাষা সৃষ্টিৰ দুটা সূত্ৰৰ নাম লিখা।

(গ) দুটা সংযোগী ভাষাৰ নাম লিখা।

(ঘ) ৰূপক প্ৰধানকৈ কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

(ঙ) উপভাষা সৃষ্টিৰ দুটা কাৰণ লিখা।

(চ) অসমীয়া ভাষাত ব্যৱহৃত দুটা প্ৰান্তীয় বিবৃতৌষ্ঠ স্বৰধ্বনি কি কি?

(ছ) শব্দৰ অৰ্থ পৰিবৰ্তনৰ দুটা কাৰণ লিখা।

৩। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা *(যিকোনো ছয়টাৰ)* ঃ ৫×৬=৩০

(ক) ভাষাৰ আলোচনাক বিজ্ঞানসন্মত বুলি দাবী কৰিবলৈ কি কি গুণৰ আৱশ্যক, আলোচনা কৰা।

(খ) উপভাষা সৃষ্টিৰ অন্তৰালত কি কি কাৰণ সোমাই থাকে, আলোচনা কৰা।

(গ) বাক্‌ধ্বনিৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি টোকা লিখা।

(ঘ) ক্ৰিয়া বুলিলে কি বুজা? অসমীয়া ভাষাৰ ক্ৰিয়া বিভক্তিবোৰৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঙ) সমাজ ভাষাবিজ্ঞান সম্পৰ্কে এটি চমু টোকা লিখা।

(চ) বাক্য গঠন কৰিবলৈ কি ধৰণৰ যোগ্যতাৰ প্ৰয়োজন? আলোচনা কৰা।

(ছ) সামাজিক সংস্কাৰৰ ফলত কিদৰে শব্দৰ অৰ্থ পৰিবৰ্তন হয় বুজাই লিখা।

(জ) বিশিষ্ট ধ্বনি বুলিলে কি বুজা? অসমীয়া ভাষাত বিশিষ্ট ধ্বনি আছে নে? যদি আছে যিকোনো এক ধৰণৰ বিশিষ্ট ধ্বনিৰ আলোচনা কৰা।

(ঝ) অসমীয়া ভাষাত লিংগ কেই প্ৰকাৰ? ইহতক কি কি পদ্ধতিত ভাগ কৰা হয়, বুজাই লিখা।

৪। তলৰ দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া : *(যিকোনো দুটা)*

১২×২=২৪

(ক) ভাষাবিজ্ঞানৰ কি কি শাখা আছে? সেই শাখাবোৰৰ সম্বন্ধে বহলাই আলোচনা কৰা।

(খ) বাগিন্দ্ৰিয়সমূহ কি কি? বাক্ধ্বনি কেনেকৈ উচ্চাৰিত হয়, বহলাই আলোচনা কৰা। ইয়াক বাঁহীবাদনৰ লগত কিয় ৰিজাব পাৰি?

(গ) শব্দৰ অৰ্থ পৰিবৰ্তন কেনেকৈ হয়? অৰ্থ পৰিবৰ্তনৰ ধাৰা সম্পৰ্কে যি জানা বিবৰি লিখা।

(ঘ) অসমীয়া ভাষাত কাৰক কেনেকৈ নিষ্পন্ন হয়? কাৰকৰ বাবে কি ধৰণৰ বিভক্তি প্ৰয়োজন হয়?

---